জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৪৬/২০২১

তেজপুৰ বিশ্ববিদ্যালয়ৰ ১৮ সংখ্যক সমাৱৰ্তনত অংশ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

# উদ্ভাৱনীমূলক চিন্তা চৰ্চ্চাৰে যুৱ সমাজে ষ্টাৰ্ট আপ আন্দোলনত অংশ ল'ব লাগিব ঃ মুখ্যমন্ত্ৰী

## ৰাষ্ট্ৰ নিৰ্মাণত দায়বদ্ধ ভূমিকা ল'বলৈ ছাত্ৰ সমাজক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২২ জানুৱাৰী ঃ** তেজপুৰ বিশ্ববিদ্যালয়ৰ ১৮ সংখ্যক সমাৱৰ্তনত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিগ্ৰী প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জ্ঞান আৰু কৌশলৰ উপযুক্ত প্ৰয়োগৰে ৰাষ্ট্ৰ নিৰ্মাণত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেন্সযোগে মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰা এই সমাৱৰ্তনত মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় চৌহদত অৰ্জন কৰা জ্ঞান কৰ্মক্ষেত্ৰত ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰি দেশবাসীৰ মাজত একতাৰ ভাব সুদৃঢ় কৰাৰ লগতে 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ লক্ষ্য  বাস্তৱায়িত কৰিব লাগিব বুলি কয়। মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যৰ বিকাশৰ বাবেও দায়ৱদ্ধতাৰে ভূমিকা ল'বলৈ আহ্বান জনায়।

তেজপুৰ বিশ্ববিদ্যালয়ৰ দৰে দেশৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠানত অধ্যয়নৰ সুযোগ লাভ কৰাৰ বাবে ডিগ্ৰী প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক সৌভাগ্যৱান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিশ্বদ্যিালয়ৰ শিক্ষাই নিশ্চয় তেওঁলোকক প্ৰতিযোগিতামুখী বিশ্বৰ বাস্তৱতাৰ সৈতে পৰিচিত কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ কল্যাণৰ হকে তথা ভৱিষ্যতে সেৱা আগবঢ়াবলগীয়া কৰ্ম প্ৰতিষ্ঠানৰ বিকাশৰ বাবে দায়বদ্ধতাৰে পদক্ষেপ লোৱাৰ লগতে সমাজৰ অৱহেলিত শ্ৰেণীৰ সৱলীকৰণৰ দিশত শক্তিশালী পদক্ষেপেৰে জীৱনত আগুৱাই যাবলৈ পৰামৰ্শ দিয়ে।

বিগত বৰ্ষত কৰ'না ভাইৰাছ মহামাৰীয়ে সৃষ্টি কৰা অনিশ্চয়তা আৰু সংশয়পূৰ্ণ বাতাবৰণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই ভাইৰাছৰ বিৰুদ্ধে চলা যুঁজখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্মুখৰ পৰা নেতৃত্ব দিয়াৰ লগতে ২৫ মাৰ্চত ঘোষণা কৰা ৰাষ্ট্ৰজুৰি লকডাউনে দেশবাসীক কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজি যাবলৈ নতুন উদ্যম প্ৰদান কৰিলে। এই লকডাউনে ভাইৰাছৰ সংক্ৰমণ নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ উপৰি ৰাষ্ট্ৰজুৰি স্বাস্থ্য আন্তঃগাঁথনি গঢ়ি তোলাত ইতিবাচক ভূমিকা গ্ৰহণ কৰিলে। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ইয়াৰ ফলশ্ৰুতিত ভাৰতবৰ্ষই অধিক দৃঢ়তাৰে কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে ল'বলগীয়া পদক্ষেপসমূহক সফলকাম কৰি তুলিবলৈ সক্ষম হ'ল। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ বাবে জনোৱা আহ্বানৰ নিদৰ্শন হিচাপে দেশৰ বিজ্ঞানীসকলে কৰ'না প্ৰতিৰোধী ভেকচিন প্ৰস্তুত কৰিবলৈ সক্ষম হ'ল। এই সফলতা মুখ্যমন্ত্ৰীয়ে 'মেক ইন

ইণ্ডিয়া’ আৰু ‘আত্মনিৰ্ভৰ ভাৰত’ৰ দিশত উল্লেখযোগ্য সফলতা বুলি অভিহিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক ‘অষ্টলক্ষ্মী’ আৰু ‘ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন’ বুলি অভিহিত কৰি বিগত ছবছৰে লোৱা পদক্ষেপৰ ফলত অঞ্চলটোত যোগাযোগকে ধৰি ঔদ্যোগীকৰণৰ দিশত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হৈছে আৰু সমগ্ৰ উত্তৰ-পূবে দ্ৰুত গতিত অদ্বিতীয় প্ৰগতিৰ দিশে ধাৱমান হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এক্ট ইষ্ট পলিচিয়ে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ-পূব এছিয়া আৰু বিবিএন দেশসমূহৰ সৈতে ব্যৱসায়-বাণিজ্য, যোগাযোগ, পৰ্যটন, সাংস্কৃতিক ভাব বিনিময়, ক্ৰীড়া, তথ্য প্ৰযুক্তি, কৃষি আদি সকলো দিশতে অধিক ওচৰ চপাই আনিছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত ঔদ্যোগীকৰণৰ অনুকূল পৰিৱেশ ৰচনা কৰিবলৈ অসম চৰকৰে বিভিন্ন ঔদ্যোগিক নীতি ইতিমধ্যে প্ৰণয়ন কৰিছে। তেওঁ কয় যে ২০১৮ বৰ্ষত অসম চৰকাৰে আয়োজন কৰা বিশ্ব বিনিয়োগ সন্মিলনৰ ফলশ্ৰুতিত ৭৯ হাজাৰ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিৰে ২৬৩ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। এই প্ৰকল্পসমূহৰ অন্তৰ্গত ৰাজ্যত ৫৫ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগ ব্যক্তিগত আৰু ৰাজহুৱা উভয় খণ্ডতে হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ষ্টাৰ্ট আপ অনুকূল পৰিৱেশ গঢ় দিয়াৰ বাবে অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে আই আই এম কলকাতা ইন’ভেশ্যন পাৰ্কৰ সহযোগত গুৱাহাটীত ‘আসাম ষ্টাৰ্ট আপ-দ্যা নেষ্ট’ নামেৰে এটা ইনকুবেশ্যন হাব ইতিমধ্যে প্ৰতিষ্ঠা কৰিছে বুলি ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। এই ইনকুবেশ্যন হাবৰ সুযোগ লৈ ডিগ্ৰী প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক নিজৰ উদ্ভাৱনীমূলক চিন্তা, জ্ঞান আৰু কৌশলৰ প্ৰয়োগৰে ষ্টাৰ্ট আপ আন্দোলনত অংশ ল’বলৈ তথা তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাৰে উত্তৰ-পূবৰ আনৰাজ্যসমূহৰ লগতে বাংলাদেশ, ভূটান, নেপান আৰু আছিয়ান দেশসমূহৰ ৮০ কোটি জনসাধাৰণৰ বৃহৎ বজাৰখন দখলৰ লক্ষ্যৰে কাম কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ডিগ্ৰী প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগ তথা ষ্টাৰ্ট আপ গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰী সোণোৱালে আশ্বাস প্ৰদান কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে ছাত্ৰ-ছাত্ৰীসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সপোন দেখা ‘নতুন ভাৰত’ নিৰ্মাণৰ যাত্ৰাত নিষ্ঠা আৰু দায়বদ্ধতাৰে পদক্ষেপ ল’বলৈ আহ্বান জনায়। তেওঁ কয় যে দেশৰ বিকাশৰ যাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে আগবঢ়োৱা আৱদানে আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যক সাৰ্থক ৰূপ দিব। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ দেশপ্ৰেমমূলক সৃষ্টিৰাজি আৰু ড° ভূপেন হাজৰিকাৰ ‘জিলিকাব লুইতৰে পাৰ’ শীৰ্ষক গীতৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰী সোণোৱালে ডিগ্ৰী প্ৰাপক ছাত্ৰ-ছাত্ৰীসকলক অসম তথা দেশৰ বিকাশৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি যাবলৈ আহ্বান জনায়।

তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ভি কে জৈনে আদৰণী ভাষণ প্ৰদান কৰা সমাবৰ্তনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ৰমেশ পখৰিয়াল ‘নিশংক’ আৰু ৰাজ্যপাল তথা বিশ্ববিদালয়খনৰ আচাৰ্য অধ্যাপক জগদীশ মুখীয়ে ভিডিঅ’ কনফাৰেন্স যোগে ভাষণ প্ৰদান কৰে।

**সুঃদঃ / নিঃবঃ / বীঃগঃ**

**২২-০১-২০২১**